① প্ৰশ্নঃ> অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা কৰা।

অথবা

অসমীয়া চুটিগল্পৰ ধাৰা সম্পৰ্কে লিখা।

উত্তৰঃ> পাশ্চিমীয়া সাহিত্যৰ প্ৰভাৱৰ ফলতেই অসমীয়া সাহিত্যত ঊনবিংশ শতিকাৰ শেষ দশকত চুটিগল্পৰ জন্ম হয়। কলিকতাৰ পৰা প্ৰকাশিত 'জোনাকী' কাকতৰ চতুৰ্থ বছৰ, ৬ষ্ঠ সংখ্যাত (১৮৯২) প্ৰকাশ পোৱা লক্ষ্মীনাথ বেজবৰুৱাৰ 'সেউতী' য়েই প্ৰথম অসমীয়া চুটিগল্প। বৰ্তমান সময়লৈকে ৰচিত অসমীয়া চুটিগল্পৰ ইতিহাসক সময়ানুক্ৰম অনুসৰি চাৰিটা বহল ধাৰাত আলোচনা কৰিব পাৰি—

① আৰম্ভিক যুগ (১৮৯২ — ১৯২৯ লৈ)
② আৱাহন যুগ (১৯২৯ — ১৯৪০ লৈ)
③ ৰামধেনু বা যুদ্ধোত্তৰ যুগ (১৯৪০ - ১৯৭০লৈ)
④ আধুনিক যুগ (১৯৭০ - বৰ্তমানলৈ)

তলত প্ৰতিটো ধাৰাৰ চমু আলোচনা কৰা হ'ল :

① আৰম্ভিক যুগ : লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত জন্ম লাভ কৰা অসমীয়া চুটিগল্পৰ আৰম্ভণি যুগটো ১৯২৯ চনলৈকে পৰিব্যাপ্ত। বেজবৰুৱাৰ গল্প সমূহৰ দুটা ভাগ — ① কুপাৰবী মনোভাৱ সমাজৰ অসমাজ সংস্কাৰধৰ্মী (ভোকেন্দ্ৰ বৰুৱা, মলক গুইন গুইন, নাকফুলু চন্দ্ৰ, ঘন্টাকৰ্ণ শৰ্মা)
② গভীৰ মানৱতাবোধৰ প্ৰকাশক (ভদৰী, পাতমুগী, মালতী, কন্যা, মুক্তি, জলকুঁৱৰী আদি)। বেজবৰুৱাৰ গল্পপুথি সমূহ হ'ল— সুৰভি, সাধুকথাৰ কুঁকি, জোনবিৰি

আৰু 'কেঁহোকলি'। 'সুৰভি' প্ৰথম অসমীয়া চুটিগল্পৰ বেজবৰুৱাৰ সময়ত আধুনিক কালত অসমীয়া চুটিগল্পক সমৃদ্ধ কৰা গল্পকাৰ সকল হ'ল — শৰৎ চন্দ্ৰ গোস্বামী, নকুল চন্দ্ৰ ভূঞা, সূৰ্য্য কুমাৰ ভূঞা, দণ্ডিনাথ কলিতা, লক্ষ্মীনাথ ফুকন, মিত্ৰদেৱ মহন্ত, মহীচন্দ্ৰ বৰা, হলিৰাম ডেকা আদি। শৰৎচন্দ্ৰ গোস্বামীৰ গল্পপুথি হ'ল- গল্পাঞ্জলী, ময়না, বাস্তৱিকৰ আৰু পৰিদৰ্শন। দণ্ডীনাথ কলিতাৰ 'সাতসৰী', নকুলচন্দ্ৰ ভূঞাৰ 'চোৰাংচোৰাৰ চৰা, গল্পৰশৰাই', সূৰ্য্যকুমাৰ ভূঞাৰ 'পঞ্চৱটী', লক্ষ্মীনাথ ফুকনৰ 'মালা, ওমাইদ, মৰমৰ মাধুৰী', আনন্দ বৰুৱাৰ 'হিয়া, আশাৰ উৎফুল্ল মন' আদি এই যুগত ৰচিত গল্পপুথি।

② আৱাহনযুগ: ইয়াৰ সময়সীমা ১৯২৯ চনৰ পৰা ১৯৪০ চনলৈ। ১৯২৯ চনত দীননাথ শৰ্মাৰ সম্পাদনাত কলিকতাৰ পৰা প্ৰকাশ হোৱা 'আৱাহন' কাকতৰ পাতত অসমীয়া চুটিগল্পৰ দ্বিতীয় স্তৰটো আৰম্ভ হয়। এইযুগৰ গল্পকাৰ সকল হ'ল— নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, লক্ষ্মীনাথ ফুকন, মহীচন্দ্ৰ বৰা, লক্ষ্মীধৰ শৰ্মা, হলীৰাম ডেকা, ৰমা দাস, বীণা বৰুৱা, ত্ৰৈলোক্য নাথ গোস্বামী, কামিনী মোহন আচাৰ্য্য, বুদ্ধ ভূঞা আদি। নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ 'বীণাৰ ঝংকাৰ', 'নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্প', লক্ষ্মীধৰ শৰ্মাৰ 'ব্যৰ্থতাৰ দান' বীণা বৰুৱাৰ 'আঘোণীবাই', 'পট পৰিবৰ্তন' ত্ৰৈলোক্য নাথ গোস্বামীৰ 'অকণ', মৰীচিকা, 'শিল্পীৰ জন্ম', 'জীৱনৰ জীমা জুই' 'গল্পসংগ্ৰহ', ৰমা দাসৰ 'ভাঙনী, বৰ্ষা মেতিমা নামে,

'প্ৰমা দাসৰ 'শ্ৰেষ্ঠ গল্প', দীননাথ শৰ্মাৰ 'দুলাল' কল্পনা আৰু বাস্তৱ, 'কৌৰবীলোহুৰীয়া বেটৰ তলত', আদি এই যুগৰ উল্লেখযোগ্য গল্প পুথি। প্ৰগতিশীল চিন্তাধাৰাৰ আকৰ্ষণ, ৰোমাণ্টিক ভাবাদৰ্শৰ প্ৰভাৱ, সামাজিক চেতনাৰ প্ৰসাৰ আদি আৱাহন যুগৰ গল্পৰ বৈশিষ্ট্য।

(৩) ৰামধেনু যুগ: ১৯৩৯ চনত দ্বিতীয় মহাসমৰ আৰম্ভ হ'ল। দেশত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি দিশত নানান বিপদ নামিল। ফলস্বৰূপে 'আৱাহন' লেখক গোষ্ঠীৰ সাহিত্য স্থবিৰ হ'ল। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হোৱাৰ পিছত অসমীয়া চুটিগল্পই নতুন ৰূপ ল'লে। ১৯৫০ চনত প্ৰকাশিত 'ৰামধেনু' আলোচনীয়ে এই ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। অস্তিত্ববাদী, বাস্তৱবাদ, মনস্তাত্ত্বিক, অৱচেতন-বাদ, অতিবাস্তৱবাদ, চেতনাস্ৰোত আদিয়ে চুটিগল্পক বৈচিত্ৰ্যময়ী কৰি তোলে। এই যুগৰ গল্পকাৰ সকল হ'ল আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, মহিম বৰা, সৌৰভ কুমাৰ চলিহা, স্নেহ দেৱী, নিৰোদ চৌধুৰী, নগেন শইকীয়া, অনিমা দত্ত, লক্ষ্মীনন্দন বৰা, হোমেন বৰগোহাঞি, ভবেন্দ্ৰনাথ শইকীয়া, মেদিনী চৌধুৰী, চন্দ্ৰপ্ৰসাদ শইকীয়া, ভিকু ৰাজখোৱা আদি। আব্দুল মালিকৰ 'পৰশমণি', 'ৰঙাগড়া', 'মৰম মৰম লাগে', 'মৰহা পাপৰি', 'অঘৰী নতুন ৰেখা', 'শিখৰে শিখৰে', 'শিল আৰু শিখা', 'দোৱাৰ পাঁৰত পাহিলা ৰহণ'; বীৰেন্দ্ৰ কুমাৰ ভট্টা-

চৌধুৰীৰ 'কলং আজিও বয়', 'আত্মসৰী';
যোগেশ দাসৰ 'পানীমাজনী', 'পৃথিৱীৰ অসুখ'
চিৰেঙী', 'আন্ধাৰৰ আঁৰে আঁৰে', 'ইহঁতাৰ লোকৰ চিত';
মহিম বৰাৰ 'কাঠনিবাৰী ঘাট', 'জমন নদীৰ মুখ',
বাতিফুলা ফুল', 'বৰজুৰী চিদুৰ'; লক্ষ্মীনন্দন
বৰাৰ 'এৰাবাৰীৰ লেচেৰী', 'কোপন সইলি',
মাধৱ কুমাৰৰ 'নৈ', 'আহিন কলাই', 'কাতিন মাস';
হোমেন বৰগোহাঁইৰ 'হৃদয় আৰু মুহূৰ্ত'
'কাৰবেনে', 'বিভিন্ন কোৰাচ'; মেদিনী চৌধুৰীৰ
'এপাৰৰ এখাৰ', 'কুডহিড'; ভবেন্দ্ৰনাথ
শইকীয়াৰ 'প্ৰহৰী', 'শৃংখল', 'গহ্বৰ', 'সেন্দুৰ',
'বৃন্দাবন', 'আত্মভ্ৰমণ'; চন্দ্ৰপ্ৰসাদ শইকীয়াৰ
'মমাছুম', 'ভগিন', 'মাছলতিফুল', 'অংগীকাৰ';
সৌৰভ কুমাৰ চলিহাৰ 'অশান্ত ইলেকট্ৰন',
'গোলাম', 'এহাত দাবা', 'দুপৰীয়া' আদি
এই যুগৰ গল্প পুথি। মানৱীয় মনস্তত্ত্বৰ
প্ৰকাশ, মানৱীয় চেতনাৰ প্ৰকাশ, সামাজিক
দায়বদ্ধতা আদি এই যুগৰ গল্পৰ বৈশিষ্ট্য।

(৪) সাম্প্ৰতিক যুগ: ১৯৭০ চনৰ পৰা কিছু
সময় অসমৰ ৰাজনৈতিক অস্থিৰতাই এক
ৰূপ ধাৰণ কৰি আহিছে আৰু সেই অৱস্থা
লগত গণআৱাহনৰ যুক্ত কৰিবলৈ বাটে—
অতিক্ৰম কৰে প্ৰতিবাদী কণ্ঠ ধ্বনিত
হৈ আহিছে। ৰামধেনু যুগতে বোলেমান গল্পকাৰে
এই যুগতো গল্প ৰচনা কৰিছিল। অৰ্থাৎ গল্পৰ
ব্যাপ্তি আৰু পৰিবেশ লাভ কৰে। যেনে
জালোলেৰী 'নতুন পৃথিৱী' আৰু 'আমাৰ পৃথিৱী'
প্ৰচাৰ কৰুণে স্বাধীন আন্দোলনত উদ্বুদ্ধ
হৈ লিখিছিলে অৱশ্যে কোনো সময়ত ৰাজ-

নৈতিক আদৰ্শৰ মূল্যবোধ লাভ কৰিছিল। এইসময়ৰ গল্পকাৰ সকল হ'ল - অৰুণ গোস্বামী, অৰূপা পটংগীয়া কলিতা, শীলভদ্ৰ, হেমন্ত কুমাৰ শৰ্মা, কুমুদ চন্দ্ৰ গোস্বামী, পৰাগ কুমাৰ ভট্টাচাৰ্য, দুৰ্গেশ্বৰ শৰ্মা, হৰেকৃষ্ণ ডেকা, প্ৰফুল্ল চন্দ্ৰ বৰা, দেৱব্ৰত দাস, পূৰবী বৰমুদৈ, মনোজ কুমাৰ গোস্বামী, ইমৰান হুছেইন, ৰশ্মি মহন্ত, কাঞ্চী মহন্ত, মৌচুমী কন্দলী, অনুৰাধা শৰ্মা পুজাৰী, চন্দনা পাঠক, নৱনীতা দাস, লীলা বেজবৰুৱা, বসন্ত কুমাৰ ভট্টাচাৰ্য্য, ৰং বং তেৰাং আদি এই সময়ৰ অন্যতম গল্প লেখক। বাস্তৱবাদী মনস্তাত্ত্বিক চিন্তন, বৈজ্ঞানিক যুক্তিবাদৰ প্ৰসাৰ, আদি এই সময়ৰ গল্পৰ বৈশিষ্ট্য।

শীলভদ্ৰৰ "বাস্তুৱ", "কোনো খেদ নাই", সপ্তক্ৰান্তীৰ, তত্ত্বাৱধান, মুখ্যমন্ত্ৰীৰ বহিদুৱাৰ; কুমুদ গোস্বামীৰ "দুৱাৰ, বাতিত বৰাই", পৰাগ ভট্টাচাৰ্যৰ প্ৰেতছবি, আনন্দ আশ্ৰম, দুৰ্গেশ্বৰ শৰ্মাৰ বনলতাৰ অতীত, কাব্যপাঠ, অৰুণ গোস্বামীৰ বাহুবলীসকল ছোৱালীৰ লাগ, হৰেকৃষ্ণ ডেকাৰ মধুসূদনৰ দলং; দেৱব্ৰত দাসৰ 'আবেলিৰ এযোৰ' মনোজ কুমাৰ গোস্বামীৰ 'সমীৰণ বৰুৱা আহি আছে', অনুৰাধা শৰ্মা পুজাৰীৰ 'বসন্তৰ গান' আদি উল্লেখযোগ্য গল্পপুথি।

শেষত ক'ব পাৰি যে, ১৮৮২ ৰ পৰা বৰ্তমানলৈকে অসমীয়া গল্পসাহিত্যই বিষয়বস্তু, ভাববস্তু আৰু আংগিকৰ ক্ষেত্ৰত নানা পৰিৱৰ্তনৰ সংযোগত বিকশিত হৈ বিশ্বৰ আন প্ৰান্তৰ চুটিগল্পৰ সৈতে ফেৰ মাৰিব পৰা স্থান লাভৰ যোগ্যতা অৰ্জন কৰিছে ॥